**REGIONAL NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 31-08-2026**
**Time :   21-25 Hrs**

# ASSAMESE NIGHT BULLETIN

**:::::::::::::::::::::::::::**

সোণাপুৰৰ ক্ষেত্ৰীৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত কালি সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হোৱা লোকসকলৰ পৰিয়াললৈ পাঁচ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়োৱা হ'ব। আজি দুৰ্ঘটনাস্থলী পৰিদৰ্শন কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাংবাদিকৰ এই কথা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাষ্ট্ৰীয় ঘাইপথত থকা গাঁত আৰু মেৰামতিৰ অভাৱত এই দুৰ্ঘটনাটো সংঘটিত হোৱা বুলি আৰক্ষীৰ তদন্তত পোহৰলৈ আহিছে। ইতিমধ্যে সমগ্ৰ বিষয়টোক লৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ অধ্যক্ষৰ সৈতে ৰাজ্য চৰকাৰৰ মুখ্য সচিবে বাৰ্তালাপ কৰা বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই জানিবলৈ দিয়ে। লগতে ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষৰ অধ্যক্ষগৰাকীয়ে ৰাষ্ট্ৰীয় ঘাইপথৰ মেৰামতিৰ কাম শীঘ্ৰেই আৰম্ভ কৰাৰ লগতে ভৱিষ্যতে যাতে এনে ঘটনাৰ পুনৰাবৃত্তি নহয়, সেই ক্ষেত্ৰত দৃষ্টি ৰাখিব বুলিও প্ৰতিশ্ৰুতি দিয়া বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই সংবাদ মাধ্যমৰ আগত উল্লেখ কৰে।

এই ভয়ংকৰ পথ দুৰ্ঘটনাৰ পাছতে ৰাষ্ট্ৰীয় ঘাইপথৰ দুৰৱস্থাৰ পৰ্যালোচনাৰ বাবে আজি খানাপাৰাৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। কামৰূপ মহানগৰৰ জিলা আয়ুক্ত স্বপ্নীল পাল, আৰক্ষী বিষয়া পাৰ্থ সাৰথি মহন্ত, গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধি, ডিমৰীয়াৰ বিধায়ক ড০ তপন দাস আদিকে ধৰি ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ বিষয়া তথা ডিমৰীয়াৰ দল-সংগঠনৰ প্ৰতিনিধিয়ে অংশ লয়। এই বৈঠকৰ অন্তত জিলা আয়ুক্ত স্বপ্নীল পালে সংবাদ মাধ্যমৰ আগত কয়, যে খানাপাৰাৰ পৰা সোণাপুৰৰ ক্ষেত্ৰী পৰ্যন্ত ৰাষ্ট্ৰীয় ঘাইপথত থকা গাতসমূহ মেৰামতি কৰিবলৈ ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ কৰ্তৃপক্ষক সাতদিনৰ সময়সীমা বান্ধি দিয়া হৈছে। উল্লেখযোগ্য যে কালিৰ পথ দুৰ্ঘটনাত নিহত হোৱা লোকৰ সংখ্যা ৭ লৈ বৃদ্ধি পাইছে। দুৰ্ঘটনাত গুৰুতৰভাৱে আহত হৈ গুৱাহাটীৰ এখন ব্যক্তিগত চিকিৎসালয়ত চিকিৎসাধীন হৈ থকা অনিমা ডেকা বৰদলৈ নামৰ মহিলাগৰাকীৰ আজি মৃত্যু হয়।

ইফালে সদৌ অসম ছাত্ৰ সন্থাই ৰাজ্যৰ সকলোবোৰ ৰাষ্ট্ৰীয় ঘাইপথ মেৰামতি কৰাৰ দাবীৰে ১১ ছেপ্তেম্বৰত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ সিদ্ধান্ত লৈছে। আজি উজানবজাৰস্থিত বিবেকানন্দ কেন্দ্ৰত অনুষ্ঠিত ৰাজ্যিক কাৰ্যনিৰ্বাহক সভাত এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সভাতে জাতীয় জীৱনৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়, ছাত্ৰ সমাজৰ স্বাৰ্থ সুৰক্ষা, ভাষা সংস্কৃতি সংৰক্ষণ তথা অসমৰ সামগ্ৰিক উন্নয়নৰ সন্দৰ্ভত বিতংভাৱে আলোচনা কৰা হয়।

oooo

শিৱসাগৰৰ বিধায়ক তথা ৰাইজৰ দলৰ সভাপতি অখৈল গগৈয়ে আজি সন্ধিয়া জনতা ভৱনত মুখ্যমন্ত্ৰী ড়০ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰে। উজনি অসমৰ ৩ খন জিলাত প্ৰলয়ংকাৰী বানত ক্ষতিগ্ৰস্ত প্ৰতিটো পৰিয়ালক ১৫ হাজাৰ টকাৰ সাহায্য নিশ্চিত কৰিবলৈ মুখ্যমন্ত্ৰীক সাক্ষাৎ কৰা হৈছিল বুলি অখিল গগৈয়ে জানিবলৈ দিছে। সাক্ষাৎৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত শিৱসাগৰৰ বিধায়কগৰাকীয়ে কয়, যে কাইলৈৰ ভিতৰত বঞ্চিত হৈ থকা ১৬

হাজাৰ বান ক্ষতিগ্ৰস্ত পৰিয়ালে ১৫ হাজাৰ টকাকৈ সাহায্য লাভ কৰিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে নিশ্চিতি দিছে। অৱশ্যে বানত ক্ষতিগ্ৰস্ত পৰিয়ালসকলক ১০ লাখ টকাকৈ সাহায্য প্ৰদানৰ দাবী এতিয়াও মুখ্যমন্ত্ৰীয়ে মানি লোৱা নাই বুলি তেওঁ মন্তব্য কৰে। তেওঁ লগতে কয় যে বানত জিলাখনৰ ১৬০ কিলোমিটাৰ পথ সম্পূৰ্ণৰূপে বিধ্বস্ত হৈছে। এই পথ মেৰামতি কৰিবলৈও মুখ্যমন্ত্ৰীক আহ্বান জনোৱা হৈছে। বানত ক্ষতিগ্ৰস্ত মহাবিদ্যালয়সমূহক চৰকাৰে ক্ষতিপূৰণ দিয়াৰ সিদ্ধান্ত লৈছে বুলিও অখিল গগৈয়ে সাংবাদিকৰ আগত অৱগত কৰে।

০০০০

সদৌ অসম সন্মিলিত শিক্ষক মঞ্চই আজি সন্ধিয়া জনতা ভৱনত  শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুক সাক্ষাৎ কৰি ২৭ দফীয়া দাবী সম্বলিত এখন স্মাৰক পত্ৰ প্ৰদান কৰে। ইয়াৰে গৰিষ্ঠ সংখ্যক দাবীৰ প্ৰতি শিক্ষামন্ত্ৰীগৰাকীয়ে ইতিবাচক সঁহাৰি জনাইছে বুলি সন্মিলিত শিক্ষক মঞ্চই জানিবলৈ দিছে। টেট উত্তীৰ্ণ ঠিকাভিত্তিক শিক্ষকৰ চাকৰি বেতন সুৰক্ষাসহ নিয়মীয়া কৰাৰ লগতে শিক্ষকৰ চাকৰি জীৱনত ৩ টা পদোন্নতিৰ ব্যৱস্থা কৰা, লোকপিয়লত শিক্ষক নিয়োজিত কৰাৰ ক্ষেত্ৰত সাৱধানতা অৱলম্বন কৰা, নতুনকৈ প্ৰাদেশীকৰণ হোৱা শিক্ষানুষ্ঠানসমূহক সকলো চৰকাৰী অনুদান প্ৰদান কৰাকে ধৰি আন কেইবাটাও গুৰুত্বপূৰ্ণ বিষয় শিক্ষামন্ত্ৰীৰ ওচৰত উত্থাপন কৰা হয়।

০০০০

কাৰ্বি আংলং জিলা প্ৰশাসনে মানজা থানা অন্তৰ্গত অঞ্চলসমূহত পথৰ কাষত অবৈধভাৱে বসবাস কৰা লোকৰ বিৰুদ্ধে আজি উচ্ছেদৰ জাননী জাৰি কৰে। এসপ্তাহৰ ভিতৰত এই অঞ্চলসমূহত পথৰ দাঁতিত বসবাস কৰি থকা লোকসকলক ঘৰ খালী কৰিবলৈ জাননী জাৰি কৰা হয়। তদুপৰি যিসকল লোকে অবৈধভাৱে দোকান-পোহাৰ নিৰ্মাণ কৰি ব্যৱসায় কৰি আহিছিল তেওঁলোকলৈও উচ্ছেদৰ জাননী প্ৰেৰণ কৰা হয়।

০০০০

ভাৰতীয় টেবল টেনিছ খেলুৱৈ অংকুৰ ভট্টাচাৰ্যই চেকিয়াত অনুষ্ঠিত ডব্লিউ টি টি ফীডাৰ টেবল টেনিছ প্ৰতিযোগিতাত ডব্লিউ টি টি পুৰুষৰ খিতাপ অৰ্জন কৰে। ব্যক্তিগত স্তৰত একক খিতাপৰ লগতে তেওঁ সহখেলুৱৈ আকাশ পালৰ সৈতে যৌথভাৱে পুৰুষৰ ডাবলছত স্বৰ্ণপদক লাভ কৰিবলৈ সমৰ্থ হয়। বিশ্বৰ ৭৮ সংখ্যক স্থানৰ খেলুৱৈ অংকুৰে একক শাখাৰ ফাইনেলত তৃতীয় স্থানৰ খেলুৱৈ শ্লোভেনিয়াৰ ডেনী কজুলক ৩-১ৰ ব্যৱধানত পৰাস্ত কৰি এই স্মৰণীয় সফলতা অৰ্জন কৰে। উল্লেখযোগ্য যে ভাৰতীয় খেলুৱৈজনৰ ডব্লিউ টি টি ফীডাৰত এইটোৱেই প্ৰথম একক খিতাপ।

০০০০

সমাপ্ত